# The Status of Women in NagaTribe: A Study Based on Hahchara Naga Village of Sivasagar District

**A Project Report submitted for the fulfillment of B.A. Degree by 6th Semester (Honours), Discipline Specific Elective (DSE)-4, CBCS, 2023 under Dibrugarh University**


**Submitted By**

**Name : Ritamoni Ligira**

**Roll No : 13410049**

**Registration No : S2028438**

**B.A 6th Semester, CBCS**

**Education (Honours)**

**H.C.D.G College, Nitaipukhuri**

**2023**


Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# প্ৰশংসা পত্ৰ

H.C.D.G. COLLEGE
Department of Education
NITAIPUKHURI

**“নগা জনজাতীয় সমাজত মহিলাৰ স্থিতি ঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওত এক অধ্যয়ন।”** শিক্ষা বিভাগৰ ষষ্ঠ যান্মাসিকৰ ছাত্ৰ-ছাত্ৰী [illegible] য়ে সম্পন্ন কৰে। অনুসন্ধানকাৰীয়ে ষষ্ঠ যান্মাসিকৰ শিক্ষাতত্ত্ব DSE 4: **“প্ৰকল্প প্ৰতিবেদন”**ৰ উপযোগীকৈ প্ৰস্তুত কৰি শিক্ষা বিভাগত স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

[illegible]

**বিভাগীয় মুৰব্বী**

**শিক্ষাতত্ত্ব বিভাগ**

**হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়**

নিতাইপুখুৰী, **শিৱসাগৰ**

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# প্ৰশংসা পত্ৰ

**"নগা জনজাতীয় সমাজত মহিলাৰ স্থিতি ঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওত এক অধ্যয়ন।"** শীৰ্ষক এই ক্ষেত্ৰভিত্তিক অধ্যয়ন মোৰ তত্ত্বৱধানত শিক্ষা বিভাগৰ ষষ্ঠ যান্মাসিকৰ ছাত্ৰ-ছাত্ৰী ৰীতামণি নিৰিগিয়া.............. য়ে সম্পন্ন কৰে। অনুসন্ধানকাৰীয়ে ষষ্ঠ যান্মাসিকৰ শিক্ষাতত্ত্ব DSE4: **"প্ৰকল্প প্ৰতিবেদন"**ৰ উপযোগীকৈ প্ৰস্তুত কৰি শিক্ষা বিভাগত স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

Evaluated
B. Baruah
18/8/2023

ড° ৰশ্মি ৰেখা দুৱৰা

**তত্ত্বাৱধায়ক**

**শিক্ষাতত্ত্ব বিভাগ**

**হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়**

**নিতাইপুখুৰী, শিৱসাগৰ**

# কৃতজ্ঞতা পত্ৰ

পোন প্ৰথমে এই অধ্যয়নত বিভিন্ন দিশৰ পৰামৰ্শ আৰু সহায় আগবঢ়োৱা বাবে আন্তৰিক কৃতজ্ঞতা জনাইছো শ্ৰদ্ধাৰ ড° ৰশ্মি ৰেখা দুৱৰা বাইদেউক।

এই অধ্যয়নত বিভিন্ন ক্ষেত্ৰত সহায় আগবঢ়োৱা আৰু সুপৰামৰ্শ প্ৰদান কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছো মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে শিক্ষাতত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা শ্ৰীযুক্তা মানসী গগৈ বাইদেউৰ লগতে বিভাগৰ সমূহ অধ্যাপিকাক।

এই অধ্যয়নৰ তথ্যদানকাৰী হাঁহচৰা নগাগাঁওৰ মহিলাসকল আৰু অধ্যয়নত তথ্য সংগ্ৰহ কৰোতে সহায় কৰা ব্যক্তিসকলৰ সহায়ৰ বাবে তেওঁলোকৰ শলাগ লৈছো।

এই প্ৰতিবেদন প্ৰস্তুত কৰোতে যি সকল ব্যক্তিয়ে সহায়-সহযোগিতা আগবঢ়ালে তেখেত সকলকো যাঁচিলো সশ্ৰদ্ধ প্ৰণিপাত।

অনুসন্ধানকাৰী ~~ছাত্ৰ~~/ছাত্ৰী

# ঘোষণা পত্ৰ

**"নগা জনজাতীয় সমাজত মহিলাৰ স্থিতি ঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওত এক অধ্যয়ন।"** মোৰ নিজা অভিজ্ঞতাৰে নিৰ্বাচিত ক্ষেত্ৰলৈ গৈ সংগ্ৰহ কৰা তথ্য সামগ্ৰীৰ ওপৰত ভিত্তি কৰি এই ক্ষেত্ৰভিত্তিক অধ্যয়নৰ প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে আৰু প্ৰতিবেদনখনি শিক্ষাতত্ত্ব বিভাগলৈ স্নাতক উপাধিৰ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

অনুসন্ধানকাৰী ছাত্ৰ/ছাত্ৰীৰ স্বাক্ষৰ

# ঃ বিষয়সূচী ঃ


প্ৰশংসা পত্ৰ

ঘোষণা পত্ৰ

কৃতজ্ঞতা পত্ৰ

তালিকা সূচী

চিত্ৰ সূচী

| | | পৃষ্ঠা নং |
|---|---|---|
| **অধ্যায়-১** | **ঃ আৰম্ভণি** | **১-৩** |
| ১.১ | ঃ শিৰোনাম | ১ |
| ১.২ | ঃ আৰম্ভণি | ১ |
| ১.৩ | ঃ অধ্যয়নৰ যুক্তিযুক্ততা | ২ |
| ১.৪ | ঃ অধ্যয়নৰ উদ্দেশ্য | ৩ |
| **অধ্যায়-২** | **ঃ প্ৰণালীতত্ত্ব** | ৪ |
| ২.১ | ঃ অধ্যয়নৰ পদ্ধতি | ৪ |
| ২.২ | ঃ জনসমষ্টি আৰু নমুনা | ৪ |
| ২.৩ | ঃ সঁজুলি আৰু কৌশল | ৪ |
| ২.৪ | ঃ তথ্য সংগ্ৰহ প্ৰণালী | ৪ |
| ২.৫ | ঃ তথ্য বিশ্লেষণ প্ৰণালী | ৪ |
| ২.৬ | ঃ অধ্যয়নৰ সীমাবদ্ধতা | ৪ |
| **অধ্যায় -৩** | **ঃ তথ্য বিশ্লেষণ আৰু উপস্থাপন** | **৫-১১** |
| ৩.১ | ঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওৰ মহিলাসকলৰ সামাজিক, শৈক্ষিক আৰু অৰ্থনৈতিক দিশ | ৫-৭ |
| ৩.১.১ | ঃ সামাজিক গাঁথনি | ৫ |
| ৩.১.২ | ঃ গৃহকৰ্মত অংশগ্ৰহণ | ৫ |
| ৩.১.৩ | ঃ উৎসৱ অনুষ্ঠান | ৫ |
| ৩.১.৪ | ঃ সন্তান জন্মৰ লগত জড়িত অনুষ্ঠান | ৫ |
| ৩.১.৫ | ঃ বিবাহ অনুষ্ঠান | ৫ |
| ৩.১.৬ | ঃ মৃত্যুৰ লগত জড়িত অনুষ্ঠান | ৬ |
| ৩.১.৭ | ঃ ধৰ্ম | ৬ |
| ৩.১.৮ | ঃ শৈক্ষিক দিশ | ৬-৭ |



Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

৩.১.৯ ঃ অর্থনৈতিক দিশ ৭

৩.২ ঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওৰ নগা জনজাতীয় সমাজত মহিলাৰ স্থিতি ৭-১১

৩.২.১ ঃ শৈক্ষিক দিশ ৭-৯

৩.২.২ ঃ সামাজিক স্থিতি ৯

৩.২.৩ ঃ উৎসৱ অনুষ্ঠানত অংশ গ্রহণ ১০

৩.২.৪ ঃ বিবাহৰ ক্ষেত্ৰত ১০

৩.২.৫ ঃ অর্থনৈতিক স্থিতি ১০-১১

৩.২.৬ ঃ ৰাজনৈতিক দিশত অংশগ্রহণ ১১

৩.২.৭ ঃ সিদ্ধান্ত গ্রহণ প্রক্রিয়াত অংশগ্রহণ ১১

**অধ্যায় -৪ ঃ অধ্যয়নৰ ফলাফল** **১২-১৩**

৪.১ ঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওৰ মহিলাসকলৰ সামাজিক,
শৈক্ষিক আৰু অর্থনৈতিক দিশৰ প্রাপ্ত ফলাফল ১২

৪.২ ঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওৰ জনজাতীয় সমাজত
মহিলাৰ স্থিতিৰ প্রাপ্ত ফলাফল ১২-১৩

**অধ্যায় -৫ ঃ সামৰণি** **১৪**

৫.১ ঃ শিক্ষাগত তাৎপর্য্য ১৪

৫.২ ঃ সামৰণি ১৪

**অৱশিষ্টাংশ ঃ**

১। ঃ গ্রন্থপুঞ্জী

২। ঃ প্রশ্নসূচী

৩। ঃ আলোকচিত্র

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

## তালিকাসূচী

### তালিকা


| তালিকা | | পৃষ্ঠা নং |
|---|---|---|
| তালিকা নং ঃ ১.৩ | শিৱসাগৰ জিলাৰ জনগাঁথনি | ২ |
| তালিকা নং ঃ ২.১ | জনসমষ্টি আৰু নমুনা দলৰ শ্ৰেণীকৰণ | ৪ |
| তালিকা নং ঃ ৩.১.৮.১ | শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওৰ বিদ্যালয়ৰ বিৰৰণ | ৬ |
| তালিকা নং ঃ ৩.১.৮.২ | হাঁহচৰা নগা গাঁওৰ তথ্যদানকাৰী মহিলাসকলৰ শিক্ষাগত অৰ্হতা | ৬ |
| তালিকা নং ঃ ৩.২.১.১ | হাহঁচৰা নগা গাঁওৰ তথ্যপ্ৰদানকাৰী মহিলাসকলৰ পৰিয়ালৰ সৰ্বোচ্চ শিক্ষাগত অৰ্হতা | ৮ |
| তালিকা নং ঃ ৩.২.১.২ | হাঁহচৰা নগা গাঁৱৰ মহিলাসকলৰ শৈক্ষিক দিশ | ৮ |
| তালিকা নং ঃ ৩.২.৫ | হাঁহচৰা নগা গাঁৱৰ তথ্যদানকাৰী মহিলাসকলৰ বৃত্তি | ১০ |


### পৰিশিষ্ট তালিকা


পৰিশিষ্ট ১ ঃ শিৱসাগৰ জিলাৰ মানচিত্ৰ ২

পৰিশিষ্ট ২ ঃ আলোকচিত্ৰ ১৬-১৭

সঁজুলি ঃ

পৰিশিষ্ট ৩ ঃ প্ৰশ্নসূচী ১ i-ii

পৰিশিষ্ট ৪ ঃ প্ৰশ্নসূচী ২ i-ii


Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

**১.১ শিৰোনাম (Title) ঃ**

**নগা জনজাতীয় সমাজত মহিলাৰ স্থিতি ঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওত এক অধ্যয়ন।**

**১.২ আৰম্ভণি (Introduction) ঃ** বিভিন্ন জাতি-জনজাতিৰ সমন্বয় অসম ৰাজ্য। অসমত নিজস্ব স্বকীয় সাংস্কৃতিক পৰিচয়েৰে বিভিন্ন জাতি-জনজাতিৰ লোকে সম্প্ৰতিৰে বসবাস কৰি আছে। জনজাতিসকলৰ ভিতৰত গাৰো, ডিমাছা, বড়ো, দেউৰী, কাৰ্বি, মিজো, মিছিং, ৰাভা, মণিপুৰী, চিংফৌ, নগা অন্যতম। এই জনজাতিসমূহ নিজস্ব ভাষা, সামাজিক ৰীতি-নীতি, সাজ-পাৰ, আ-অলংকাৰ আৰু উৎসৱ-পাৰ্বণ আদিৰে পুষ্ট। সাংস্কৃতিক বৈচিত্ৰ্য বহনকাৰী বিভিন্ন জনগোষ্ঠীসমূহৰ ভিতৰত কেইবাটাও নগা জনগোষ্ঠীৰ লোকে অসমত সম্প্ৰতিৰে বসবাস কৰি আছে। নগা সকলৰ 'নগা' শব্দৰ উৎপত্তি সম্পৰ্কে বিভিন্ন জনে বিভিন্ন মত প্ৰদান কৰে। কছাৰীসকলে নগাসকলক নাগ্ৰা (নাগ্ৰা) বুলিছিল, ইয়াৰ অৰ্থ হৈছে 'যুদ্ধপ্ৰিয় জাতি'। বহুতে আকৌ ক'ব খোজে যে নগাসকলে প্ৰথমে সাপ পূজা কৰিছিল। নাগ (সাপ) শব্দৰ পৰা 'নগা' নামাকৰণ হয় বুলি তেওঁলোকে অনুমান কৰে। নগাসকলৰ মাজত বহুতো ভাগ আছে যেনে - আও, আংগামা, চেমা, লাথো, কন্যাক, চাংতম, চাং, ৰোংমা, টাংখুল, মাও, জোমি ইত্যাদি। অসমত বসবাস কৰি থকা নগা জনগোষ্ঠী কেইটা হ'ল- কন্যাক, নক্তে, ৱানছু আৰু ছেমা। এওঁলোক মংগোলীয় প্ৰজাতিৰ। অসমত বসবাস কৰা এই নগা জনগোষ্ঠীৰ লোকসকলে অসমীয়া ভাষাৰ লগতে নিজা দোৱান ব্যৱহাৰ কৰে। এই চাৰিটা নগা জনগোষ্ঠীৰ লোকে বসতি স্থাপন কৰা অসমৰ ঠাইসমূহ হৈছে-

কন্যাক নগাসকলে শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁও, মনাইটিং নগা গাঁও আৰু নামথাই নগা গাঁৱত বসবাস কৰি আছে।

নক্তে নগাসকলে ডিব্ৰুগড় জিলাৰ জয়পুৰ ৰাজহ চক্ৰৰ অৰ্ন্তগত দিহিংকিনাৰ গাঁও, নামৰূপৰ পানীদুৱৰীয়া গাঁও আৰু চৰাইদেউ জিলাৰ সাপেখাটি গাঁওত বসতি স্থাপন কৰি আছে।

ৱানছু নগাসকলে চৰাইদেউ জিলাৰ সাপেখাটিৰ দেওপানী গাঁও আৰু ডিব্ৰুগড় জিলাৰ নামৰূপ অঞ্চলৰ গড়ীয়াবাম গাঁৱত বসতি স্থাপন কৰি আছে।

ছেমা নগাসকলে তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা মহকুমাৰ লংটং গাঁও আৰু লালপাহাৰ গাঁৱত বসতি স্থাপন কৰি আছে।

সমাজৰ এক অবিচ্ছেদ্য অংগ হৈছে মহিলাসকল। মহিলাসকল হৈছে সমাজৰ প্ৰতিচ্ছবি বা দাপোণ। পাৰিবাৰিক জীৱনৰ সুখ-সমৃদ্ধি আৰু স্থিৰতা বতাই ৰাখি সুখী পৰিয়ালৰ ধাৰণাক বাস্তৱিত কৰাত মহিলাসকলে অগ্ৰণী ভূমিকা পালন কৰে। শিশুৰ উপযুক্ত যতন, স্বাস্থ্যৰক্ষা, পুষ্টিসাধন, শিশু শিক্ষা আদিত মূল ভূমিকা গ্ৰহণ কৰে মহিলাসকলে। ১৯৫০ চনত জনসাধাৰণৰ ভাৱাদৰ্শ, মূল্যবোধ, আশা-আকাংক্ষাক প্ৰতিফলিত কৰি ৰচিত হোৱা ভাৰতীয় সংবিধানৰ ১৫(১) আৰু ১৬(১) নং অনুচ্ছেদৰ সাংবিধানিক নীতি অনুসৰি পুৰুষ-মহিলা সকলোকে যোগ্যতাৰ ভিত্তিত সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, শৈক্ষিক ইত্যাদি সকলো ক্ষেত্ৰতে সম সুযোগ সুবিধা প্ৰদানৰ ওপৰত গুৰুত্ব দিয়া পৰিলক্ষিত হয়। ড° সৰ্বপল্লী ৰাধাকৃষ্ণনে কৈছিল- "এখন দেশৰ সাংস্কৃতিক বা আধ্যাত্মিক দিশৰ প্ৰতিফলন নাৰীয়েহে কৰিব পাৰে। নাৰীও পুৰুষৰ দৰেই মানুহ। তেওঁলোকৰো বিকাশৰ অধিকাৰ আছে"। শিক্ষিত মহিলাই পৰিয়ালৰ সদস্যসকলক মৰম চেনেহৰ আৱেগিক বান্ধোনেৰে বান্ধি ৰাখে আৰু পৰিয়ালৰ সুখ আৰু সন্তুষ্টিৰে বসবাস কৰাত সম্ভৱ কৰি তোলে। পুৰুষৰ লগত সহযোগিতা আগবঢ়ায় মহিলাসকলেও সমাজৰ বিকাশত বিশেষ অৰিহণা আগবঢ়ায়। সমাজ এখন প্ৰগতিৰ পথত আগবঢ়োৱা মহিলাৰ ভূমিকা উপলব্ধি কৰিয়েই ক্ষেত্ৰভিত্তিক অধ্যয়নত উক্ত বিষয়টো নিৰ্বাচন কৰা হৈছে। এই অধ্যয়ন শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱত সম্পাদন কৰা হৈছে।

**শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ বিৱৰণ ঃ**

অসমৰ উজনিত অৱস্থিত ছশবছৰীয়া আহোম ৰাজবংশৰ শাসনকালৰ সাক্ষী বহন কৰা ঐতিহাসিক জিলাখন হৈছে শিৱসাগৰ জিলা। এই শিৱসাগৰ নগৰৰ পৰা ১৩ কিলোমিটাৰ পূবে শিৱসাগৰ হাঁহচৰা নগা গাঁও। এই হাঁহচৰা নগাগাঁওৰ উত্তৰে লাটুম গাঁও, দক্ষিণে কছাৰী গাঁও, পূবে লংকাক গোঁহাই গাঁও আৰু পশ্চিমে মৈৰামৰা সন্দিকৈ গাঁও। শিৱসাগৰ বালিঘাট সংযোগী বি জি ৰোড (ভূবন গগৈ আলি, বৰ্তমানে নাজিৰা আলি নামেৰে জনাজাত)ৰ পৰা উত্তৰলৈ প্ৰায় এক কিলোমিটাৰমান দূৰত হাৰিপৰা আলিৰ দুয়োকাষে প্ৰায় ৮০ ঘৰমান লোকেৰে বসতিস্থান এই হাঁহচৰা নগাগাঁও অৱস্থিত।

**বুৰঞ্জীৰ পটভূমিত নগাসকল আগমনৰ ইতিহাস ঃ**

এক জনশ্ৰুতিমতে স্বৰ্গদেউ চ্যু-পাত-ফা বা গদাধৰ সিংহৰ পৰিচৰ্যাৰ বাবে কিছু নগালোক নগাপাহাৰৰ পৰা আহিছিল। আহোম স্বৰ্গদেউ গদাধৰ সিংহই (১৬৮১-১৯৯৬) গড়গাঁৱৰ নাতিদূৰত তেওঁক পৰিচৰ্যা কৰা নগালোকক মাটি-বাৰী দি নিগাজিকৈ বসবাস কৰিবলৈ সুবিধা প্ৰদান কৰিছিল। তেওঁলোকৰে বংশধৰসকলে পুৰুষানুক্ৰমে ইয়াতে বসতি স্থাপন কৰি আছে।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

কথিত আছে যে আহোম স্বৰ্গদেউ চুৰেমফা বা ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালত (১৭৫১-১৭৬৯) নগাসকলৰ পূৰ্বপুৰুষ টায়েং কন্যাক আদি মুখ্য কৰি মুঠ সাতজন লোক চৰাইদেউ জিলাৰ শ্ৰীপুৰৰ উত্তৰ-পূব দিশত অৱস্থিত চিংফং নামৰ ঠাইৰপৰা আহিছিল। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই সেই সময়ৰ মৈৰামৰা সত্ৰৰ সত্ৰাধিকাৰ দেবানন্দ মহন্ত দেৱক দান কৰা মাটি ফুলচেং পুখুৰী পাৰত নগাসকলৰ পূৰ্বপুৰুষ সাতজনে সাতটি ঘৰ সাজি বসতি কৰিছিল। ফুলচেং পুখুৰীপাৰত বসবাস কৰি থাকোতে মহামাৰি ৰোগে ভয়ানক ৰূপ ধাৰণ কৰাত সেই সময়ৰ সত্ৰাধিকাৰ দেবানন্দ মহন্ত দেৱক খাটনি ধৰি দুই ফাৰ্লংমান দক্ষিণ পূব দিশত বৰ্তমান নগা গাঁওখন প্ৰতিষ্ঠা কৰে। কালক্ৰমত তাহানিৰ অবিভাজিত নগাপাহাৰ জিলাৰ কন্যাক বসতিপ্ৰধান টুৱেনচাং মহকুমাৰ চিংফৌ, ৱানচিং, লংকাই, মচা আদি বস্তিৰ পৰা নগাসকল প্ৰবজন কৰি এই গাঁৱত বসতি স্থাপন কৰিবলৈ ললে।

আকৌ আন এক জনশ্ৰুতিমতে নগাপাহাৰৰ কাষতে থকা নাগিনীমৰা অঞ্চলত নগা সম্প্ৰদায়ৰ ফৈদ দুটাৰ মাজত হোৱা বিবাদৰ বাবে এটা ফৈদ আঁতৰি আহি এই অঞ্চলত বসতি কৰেহি। আকৌ অন্য এক মত অনুসৰি খাদ্যৰ অভাৱত আৰু সন্ধানত নতুৱা বয়বস্তু সাল-সলনি কৰিবলৈ আহি ইয়াতে থাকিবলৈ লৈ এই নগাগাঁও খনৰ সৃষ্টি হোৱা বুলি কয়। মুঠতে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰণ বশত নগাসকল অসমলৈ আহি এই হাঁহচৰা নগাগাঁও খনৰ জন্ম দিলে।

হাঁহচৰা নগাগাঁওত বসবাস কৰা নগাসকল কন্যাক জনগোষ্ঠীৰ। কন্যাক নগাসকল স্বাভাৱিকতেই নিৰ্জু আৰু শান্তিপ্ৰিয় প্ৰকৃতিৰ। তেওঁলোকে সত্য আৰু চিধা-চিধি কথাহে ভাল পায়।

**চিত্ৰ নং - ১.২**

**শিৱসাগৰ জিলাৰ মেপ**




**উৎস ঃ https://www.mapsofindia.com**

## ১.৩ অধ্যয়নৰ যুক্তিযুক্ততা (Rational of the Study) ঃ

সমাজ এখনৰ আধা সংখ্যক সদস্যই মহিলা। শিৱসাগৰ জিলাৰ জনগাঁথনি লক্ষ্য কৰিলে দেখা যায় যে ২০১১ চনৰ লোকপিয়ল অনুসৰি শিৱসাগৰ জিলাৰ মুঠ জনসংখ্যা ১,১৫১,০৫০ গৰাকী য'ত নগৰ অঞ্চলত ১,১০,০৯৬ গৰাকী আৰু গ্ৰাম্য অঞ্চলত ১০,৪০,৯৫৪ গৰাকী। অৰ্থাৎ নগৰ অঞ্চলত ৫২.৬২% ব্যক্তি বাস কৰে আৰু গ্ৰাম্য অঞ্চলত ৪৮.৯৬% ব্যক্তি বাস কৰে। নগৰ অঞ্চলত পুৰুষৰ জনসংখ্যা ৫৭,৯৩০ জন আৰু গ্ৰাম্য অঞ্চলত পুৰুষৰ জনসংখ্যা ৫,৩১,২৮৬ জন। ইয়াৰ বিপৰীতে নগৰ অঞ্চলৰ মহিলাৰ জনসংখ্যা ৫,২,১৬৬ গৰাকী আৰু গ্ৰাম্য অঞ্চলৰ মহিলাৰ জনসংখ্যা ৫,০৯,৬৬৮ গৰাকী। ২০১১ চনৰ লোকপিয়ল অনুসৰি লিংগ অনুপাতে চহৰ অঞ্চলত ৯০১ আৰু গ্ৰাম্য অঞ্চলত ৯৫৬। গতিকে গ্ৰাম্য অঞ্চলৰ মহিলাৰ জনসংখ্যা পুৰুষতকৈ অলপ কম যদিও যথেষ্ট সংখ্যকেই মহিলা।

**তালিকা ঃ ১.৩**

**২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি শিৱসাগৰ জিলাৰ জনগাঁথনি**

| বিৱৰণ | নগৰ | গ্ৰাম্য |
|---|---|---|
| মুঠ জনসংখ্যা | ১১০,০৯৬ | ১০৪০,৯৫৪ |
| জনসংখ্যা(শতাংশ হাৰ) | ৫২.৬২% | ৪৮.৯৬% |
| পুৰুষৰ জনসংখ্যা | ৫৭,৯৩০ | ৫৩১,২৮৬ |
| মহিলাৰ জনসংখ্যা | ৫২,১৬৬ | ৫০৯,৬৬৮ |
| লিংগ অনুপাত | ৯০১ | ৯৫৬ |



Head
Deptt. of Education
H.C.D.G. College, Nitaipukhu

নিজা সাংস্কৃতিক বিচিত্ৰতাৰে অসমীয়া সংস্কৃতি তথা জাতি গঠন প্ৰক্ৰিয়াত কন্যাক নগাসকলে উল্লেখযোগ্য ভূমিকা পালন কৰিছে। শিৱসাগৰ জিলাৰ গ্ৰাম্য প্ৰধান ঠাই হাঁহচৰা নগা গাঁও। এই কন্যাক নগাসকলৰ উৎসৱ অনুষ্ঠান, জন্ম মৃত্যুৰ লগত জড়িত অনুষ্ঠান, বিবাহ পদ্ধতি, জীৱন ধাৰণৰ প্ৰণালী সুকীয়া ধৰণৰ। নগা মহিলাসকলৰ নিজা সাজ-পাৰ আৰু আ-অলংকাৰ আছে। পৰম্পৰাগত মেখেলাখনক 'ত্ৰিওচা', মেঠনিক 'খাঃ ঙাই' আৰু গাত পিন্ধা ৰঙা ব্লাউজক 'ফাক্চৌঃ' বোলা হয়। আ-অলংকাৰৰ ভিতৰত কন্যাক মহিলাসকলে কাণফুলি 'নাটু', সৰু-ডাঙৰ মণিৰে তৈয়াৰী বং বিৰঙৰ 'লিক', হাতত পিতলৰ খাৰু 'খাপচাম' পৰিধান কৰে। কন্যাক মহিলাসকল নিৰ্জু আৰু শান্তিপ্ৰিয়। জনজাতীয় সমাজত মহিলাসকলৰ জীৱন প্ৰণালী কেনেধৰণৰ, মহিলাসকলে সামাজিক, অৰ্থনৈতিক, শৈক্ষিক, ৰাজনৈতিক ক্ষেত্ৰত কেনেধৰণৰ ভূমিকা আৰু স্থান লাভ কৰিছে সেয়া জনাৰ উদ্দেশ্য এই অধ্যয়ন কাৰ্য্য সম্পাদন কৰা হৈছে। বিভিন্ন গৱেষণামূলক অধ্যয়নত কন্যাক নগাসকলৰ পৰিয়াল, উৎসৱ অনুষ্ঠান, কন্যাক গাঁও সম্পৰ্কে অধ্যয়ন সম্পন্ন হৈছে যদিও জনজাতীয় নগা মহিলা সম্পৰ্কে অধ্যয়ন তেনেই সীমিত। সেয়েহে এই অধ্যয়ন কন্যাক নগা মহিলাসকলৰ বিষয়ে জনাত সহায়ক হ'ব।

**১.৪ অধ্যয়নৰ উদ্দেশ্য (Objectives of the Study) :**

১. শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওৰ মহিলাসকলৰ সামাজিক, শৈক্ষিক, অৰ্থনৈতিক দিশ সম্পৰ্কে অধ্যয়ন কৰা।

২। শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওৰ নগা জনজাতীয় সমাজত মহিলাৰ স্থিতি সম্পৰ্কে অধ্যয়ন কৰা।

- Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

দ্বিতীয় অধ্যায়

# প্রণালীতত্ত্ব

**২.১ অধ্যয়নৰ পদ্ধতি (Methodology) ঃ**

উল্লেখিত লক্ষ্য আৰু উদ্দেশ্যাৰ ওপৰত ভিত্তি কৰি বৰ্ণনাত্মক জৰীপ পদ্ধতিৰে এই অধ্যয়ন কাৰ্য্য সম্পাদন কৰা হৈছে।

**২.২ জনসমষ্টি আৰু নমুনা (Population and Sample) ঃ**

উক্ত অধ্যয়নৰ বাবে মুঠ জনসমষ্টি লোৱা হৈছে ৪০ গৰাকী মহিলা। এই নমুনা দল শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওৰ পৰা নিৰ্বাচিত কৰাহৈছে।

**তালিকা ২.১**
**জনসমষ্টি আৰু নমুনা দলৰ শ্ৰেণীকৰণ**

| ক্ৰমিক নং | জিলা | গাঁওৰ নাম | জনসমষ্টি | নমুনা |
|---|---|---|---|---|
| ১ | শিৱসাগৰ জিলা | হাঁহচৰা নগা গাঁও | মহিলা | ৪০ |
| মুঠ | — | — | — | ৪০ |

**২.৩ সঁজুলি আৰু কৌশল (Tools and Techniques) ঃ**

উক্ত অধ্যয়ন কাৰ্য্যৰ প্ৰয়োজনীয় তথ্য আহৰণ কৰিবৰ বাবে দুখন প্ৰশ্নসূচী প্ৰস্তুত কৰি ব্যৱহাৰ কৰা হৈছে। অনুসন্ধানকাৰীৰ পৰ্যবেক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

**২.৪তথ্য সংগ্ৰহ প্ৰণালী (Procedure of Collection of Data) ঃ**

এই অধ্যয়নত দুটা উৎসৰপৰা তথ্য সংগ্ৰহ কৰা হৈছে। উৎস দুটা হৈছে - প্ৰাথমিক আৰু গৌণ উৎস। প্ৰাথমিক উৎস হিচাপে শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওৰ ৪০ গৰাকী মহিলাৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে। গৌণ উৎস হিচাপে পাঠ্যপুথি, গ্ৰন্থ, আলোচনী, ইণ্টাৰনেটৰ সহায় লোৱা হৈছে।

**২.৫ তথ্য বিশ্লেষণ প্ৰণালী (Procedure of Analysis of Data) ঃ**

তথ্য বিশ্লেষণ কৰোতে প্ৰাপ্ত তথ্যৰ ওপৰত ভিত্তি কৰি বৰ্ণনাত্মক বিশ্লেষণ পদ্ধতি, পাৰিসাংখ্যিক পদ্ধতি ব্যৱহাৰ কৰা হৈছে। নমুনা দলে প্ৰদান কৰা প্ৰশ্নসূচীবোৰ সংগ্ৰহ কৰি প্ৰশ্নসূচীসমূহ একেলগ কৰি লোৱা হ'ল আৰু শতকৰা (%), দণ্ডচিত্ৰ (Bar Diagram)ৰ সহায় লৈ বিশ্লেষণ কৰা হ'ল।

**২.৬ অধ্যয়নৰ সীমাবদ্ধতা (Limitation of the Study) ঃ**

(১) শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওত এই অধ্যয়নৰ পৰিসৰ সীমাবদ্ধ কৰা হৈছে।

(২) শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওৰ কন্যাক নগাজনগোষ্ঠীৰ মাজতে এই অধ্যয়ন সীমাবদ্ধ কৰা হৈছে।

(৩) শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওত ৪০ গৰাকী মহিলাৰ মাজত এই অধ্যয়ন সীমাবদ্ধ কৰা হৈছে।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

তৃতীয় অধ্যায়

# তথ্য বিশ্লেষণ আৰু উপস্থাপন

**৩.১ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওৰ নগা মহিলাসকলৰ সামাজিক, শৈক্ষিক আৰু অৰ্থনৈতিক দিশ**

**৩.১.১ সামাজিক গাঁথনি ঃ**

হাঁহচৰা নগা গাঁওখন পিতৃপ্ৰধান গাঁও। পিতৃ ঘৰখনৰ মুৰব্বী। মহিলাসকলে ঘৰৰ মুৰব্বীজনক যথেষ্ট সন্মান আৰু মানাতা প্ৰদান কৰে। নগাসকলৰ কন্যাক জনজাতিৰ সমাজত নাৰী পুৰুষ উভয়ৰ মাজত কিছুমান নিৰ্দিষ্ট ভাগ আছে। এই ভাগ অনুযায়ী সামাজিক অনুষ্ঠানত মহিলাসকলে নিজৰ নিজৰ দায়িত্বত থকা কাম সুচাৰু ৰূপে কৰিব লাগে। কন্যাক নগাসকলৰ জাতীয় জীৱনৰ অংগ মৰংঘৰ। গাঁৱৰ কেন্দ্ৰস্থলত অৱস্থিত এই মৰংঘৰটো ১৭৭৫ চনতে প্ৰতিষ্ঠা হৈছিল। এই মৰংঘৰত গাঁওৰ কোনো ব্যক্তি দোষী প্ৰমাণিত হ'লে জ্যেষ্ঠসকলে বিচাৰ কৰে। দোষী প্ৰমাণিত হ'লে ৰাইজে যি ৰায় দিয়ে সেয়া চূড়ান্ত ৰায় হয়। মহিলাসকলে গাঁওত বৰ্তি থকা এনেধৰণৰ বিচাৰ পদ্ধতি মানি চলে।

**৩.১.২ গৃহকৰ্মত অংশগ্ৰহণ ঃ**

মহিলাসকলে ঘৰুৱা কামত অংশ গ্ৰহণ কৰে। নগা মহিলাসকলে ৰন্ধন কাৰ্য্য, গৃহ-সজ্জা, ঘৰৰ ভিতৰে-বাহিৰে চাফাই কাৰ্য্য, সন্তানৰ প্ৰতিপালন আদি সকলো কাৰ্য্য নিয়াৰিকৈ সম্পাদন কৰে। তেওঁলোকে ঘৰুৱা কামত অংশ গ্ৰহণ কৰি আনন্দ লাভ কৰে। তেওঁলোকে ঘৰুৱা কামত অংশগ্ৰহণৰ ক্ষেত্ৰত স্বাধীনতা লাভ কৰে।

**৩.১.৩ উৎসৱ অনুষ্ঠান ঃ**

উৎসৱ অনুষ্ঠান মানৱ জীৱনৰ এক অপৰিহাৰ্য অংগ। কৃষিজীৱী জনজীৱনত ৰীতি-নীতি, আচাৰ-আচৰণ, নৃত্য-গীত, বাদ্যযন্ত্ৰ আদি উপাদানসমূহৰ মাধ্যমেৰে লোকসমাজে যিবিলাক অনুষ্ঠান পৰম্পৰাগতভাৱে পালন কৰি আহিছে এইসমূহেই হৈছে উৎসৱ অনুষ্ঠান। হাঁহচৰা নগা গাঁওত বসবাস কৰা কন্যাক নগা জনগোষ্ঠীৰ স্বকীয় উৎসৱ অনুষ্ঠান আছে।

**আওলিং উৎসৱ ঃ**

কন্যাক নগাসকলে পালন কৰা এক কৃষিভিত্তিক উৎসৱ হৈছে আওলিং উৎসৱ। প্ৰতিবছৰে এপ্ৰিল মাহৰ প্ৰথম সপ্তাহত কন্যাক নগাসকলে আওলিং উৎসৱ পালন কৰে। পাঁচদিনীয়াকৈ পালন কৰা এই আওলিং উৎসৱৰ দ্বাৰা তেওঁলোকে নৱবৰ্ষক আদৰণি জনায়। উৎসৱৰ প্ৰথম দিনা কন্যাকসকলৰ প্ৰতিটো ফৈদে একোটাকৈ গাহৰি ভোজ খোৱাৰ উদ্দেশ্য মৰংঘৰত বান্ধি থয়। উৎসৱৰ দ্বিতীয় দিনা প্ৰতিটো ফৈদে পৰিয়ালৰ এঘৰত আগদিনা বান্ধি থোৱা গাহৰিটোৰ মাংস আৰু পৰম্পৰাগত পানীয় 'য়ু'ৰে সম্প্ৰতিৰে ভোজ খায়। উৎসৱৰ তৃতীয় দিনা প্ৰত্যেক ঘৰতে পৰিয়ালৰ মংগল কামনাৰ্থে 'আনাক্‌পু' বা বংশ পূজা কৰা হয়। এই বংশ পূজা সম্পন্ন হোৱাৰ পাছত প্ৰতিটো ফৈদৰ পুৰুষ আৰু মহিলাই সুকীয়াকৈ বংশৰ গোটেই কেইঘৰত নৃত্য-গীত পৰিবেশন কৰে। চতুৰ্থ দিনা কন্যাক জনজাতিৰ সকলো লোকেই শ্ৰেষ্ঠতম পৰম্পৰাগত জনজাতীয় ৰঙ বিৰঙৰ সাজ-পোছাক আৰু আ-অলংকাৰেৰে সু সজ্জিত হয়। নগা মহিলাসকলে পৰম্পৰাগতভাৱে পালন কৰা এই আওলেং উৎসৱত তেওঁলোকৰ নিজৰ দায়িত্ব সূচাৰুৰূপে পালন কৰে আৰু আনন্দৰে অংশ গ্ৰহণ কৰে।

**ঐঞে উৎসৱ ঃ**

আওলিং উৎসৱৰ ছমাহৰ পাছত কন্যাক নগাসকলে ঐঞে উৎসৱ পালন কৰে। ঐঞে উৎসৱৰ প্ৰথম দিনা প্ৰতিটো ফৈদে এটাকৈ গাহৰি মৰংঘৰত বান্ধি থয়। উৎসৱত দ্বিতীয় দিনা প্ৰতিটো ফৈদে বান্ধি থোৱা গাহৰি কেইটা মৰংঘৰৰপৰা আনি পৰিয়ালৰ এঘৰত ভোজ খায়। কৃষি কৰ্ম সামৰি কন্যাক নগাসকলে ঐঞে উৎসৱত আনন্দমনেৰে ভোজ ভাত খাই ফুৰ্ত্তি কৰে। নগা মহিলাসকলেও এই ঐঞে উৎসৱত সূচাৰুভাৱে দায়িত্ব পালন কৰে আৰু আনন্দমনেৰে অংশ গ্ৰহণ কৰে।

**৩.১.৪ সন্তান জন্মৰ লগত জড়িত অনুষ্ঠান ঃ**

কন্যাক নগাসকলে সন্তান জন্মৰ লগত জড়িত অনুষ্ঠান নিজা স্বকীয় নিয়মেৰে পালন কৰে। তেওঁলোকে সন্তান জন্ম হোৱাৰ পাছত উপৰিপুৰুষৰ নামেৰে সন্তানৰ নামকৰণ কৰে। সন্তানৰ পাঁচ মাহ হোৱাৰ পাছত 'ওথুম' (অন্নপ্ৰাসন) অনুষ্ঠান পালন কৰা হয়। 'ওথুম' (অন্নপ্ৰাসন) অনুষ্ঠান সন্তানৰ জন্মৰ পৰা পাঁচবাৰ পূৰ্ণিমা হোৱাৰ পাছত নতুন জোন ওলোৱাৰ দিনা পতা হয়। সেইদিনা ৰাতি বাৰ বজাত মাক দেউতাক থকা এজনী ছোৱালীয়ে কুকুৰা মাংসৰ আঞ্জা আৰু বৰা চাউলৰ ভাত কেঁচুৱাটোক খুৱায়। পাছদিনা গাঁওৰ ৰাইজক সন্তানৰ মঙ্গলৰ অৰ্থে গাহৰি মাংস আৰু পৰম্পৰাগত পনীয় 'য়ু'ৰে ভোজ ভাত খুৱায়।

**৩.১.৫ বিবাহ অনুষ্ঠান ঃ**

কন্যাক নগাসকলৰ বিবাহ অনুষ্ঠানক 'নাওঁয়া পইপু' বোলা হয়। তেওঁলোকে বিবাহ অনুষ্ঠানত ছমাহ বা এবছৰৰ আগতে 'টইকাবু' নামৰ এক অনুষ্ঠান পালন কৰে। এই অনুষ্ঠানটোত দৰা ঘৰৰ মানুহে কইনাৰ বাবে এডাল সৰু লোহাৰ যাঠি (পাচুখাপচাং) আৰু এযোৰ কাঁহ ধাতুৰ খাৰু (খাপছাং) দি বিবাহৰ দিন ধাৰ্য্য কৰে। বিবাহৰ দিনা কইনাৰ ঘৰত ৰাতিপুৱা বয়োজ্যেষ্ঠ পুৰুষসকলে দৰাৰ নামত ইষ্টদেৱতালৈ এটা গাহৰি উছৰ্গা কৰে। সন্ধ্যা হোৱাৰ পাছত দৰাঘৰৰ পৰা বায়েক, পেহীয়েক, খুৰীয়েক আৰু দৰাৰ



Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

সখীয়ে কইনাৰ ঘৰলৈ বৰযাত্ৰী হৈ আহে। উল্লেখযোগ্য যে কন্যাক নগাসকলৰ সমাজত দৰাজন বৰযাত্ৰী হৈ নাযায়। দৰাৰ ঘৰৰ পৰা কইনাৰ পিতৃ-মাতৃক গা-ধন হিচাপে কাঁহৰ সৰু আকৃতিৰ এখন ঢাল (মুলাং) দিব লাগে। দৰা ঘৰত লাইখুঁটাৰ ওচৰত থিয় কৰাই বংশৰ বয়োজেষ্ঠ পকৰসকলে কইনাৰ নামত ইষ্ট দেউতালৈ এটা কুকুৰাৰ পোৱালি উছৰ্গা কৰে। সেই দিনাৰপৰাই ঘৰৰ সদস্যসকলে কইনাক বোৱাৰী হিচাপে গণ্য কৰে।

**৩.১.৬ মৃত্যুৰ লগত জড়িত অনুষ্ঠান ঃ**

কন্যাক নগাসকলে মৃত্যুৰ লগত জড়িত অনুষ্ঠানক 'ৱানয়াজ' বুলি কয়। এই অনুষ্ঠান ব্যক্তিৰ মৃত্যুৰ তিনিদিনৰ পাছৰ দিনা পতা হয়। ৰাতিপুৱা গাঁৱৰ বয়োজ্যেষ্ঠ মহিলাসকলে পিঠা খুন্দি তৰাপাতত বান্ধি দুটা টোপোলা ছাইৰ তলত পুতি থয়। সোঁহাতৰ টোপোলাটোত মৃতকৰ পৰিয়ালে এজন এজনকৈ স্পৰ্শ কৰি মৃতকৰ নাম লৈ পৰিয়ালৰ পৰা বিদায় জনায়।

**৩.১.৭ ধৰ্ম ঃ**

কন্যাক নগাসকল প্ৰধানত হিন্দু ধৰ্মাৱলম্বী। ঈশ্বৰ বা ভগৱানক কন্যাক নগাজনগোষ্ঠীৰ লোকে 'কাৱাং' বুলি কয়। এই 'কাৱাং' হ'ল আকাশৰ দেৱতা। কন্যাক নগাসকলে উপৰিপুৰুষৰ কিছুমান ৰীতি বিশ্বাস কৰে। প্ৰতিঘৰ মানুহে এটা সুকীয়া কোঠাত একোটাকৈ লাইখুঁটা সাজি লয়। যিকোনো সকাম নিকামত প্ৰয়োজন হোৱা কুকুৰা, গাহৰি আদি লাইখুঁটাত সাক্ষী কৰি সুফল কামনাৰে বধ কৰে আৰু লাইখুঁটাৰ তলত সেৱা কৰে। নগা মহিলাসকলে এনেধৰণৰ ধৰ্মীয় কাৰ্যত সহযোগিতা আগবঢ়ায়।

**৩.১.৮ শৈক্ষিক দিশ ঃ**

সমাজৰ উন্নতি আৰু প্ৰগতিৰ মূল চালিকা শক্তি হৈছে শিক্ষা।

শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওত থকা একমাত্ৰ প্ৰাথমিক বিদ্যালয়খনৰ নাম নগা গাঁও গভ্‌ট জুনিয়ৰ বেচিক স্কুল। এই বিদ্যালয়খন ১৯৪৫ চনতে স্থাপিত হৈছিল। বিদ্যালয়খন খেলুৱা শিক্ষাখণ্ডৰ অন্তৰ্গত।

**তালিকা ঃ ৩.১.৮.১**

**শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওৰ বিদ্যালয়ৰ বিৱৰণ ঃ**

| বিদ্যালয়ৰ নাম | স্থাপিত | চৰকাৰী/ বেচৰকাৰী |
|---|---|---|
| নগাগাঁও গভ্‌ট জুনিয়ৰ বেচিক স্কুল | ১৯৪৫ | চৰকাৰী |

নগা মহিলাসকল শিক্ষাৰ ক্ষেত্ৰত আগ্ৰহী। নগা মহিলাসকলে শিশুক উপযুক্ত শিক্ষা প্ৰদান কৰাত সহায় কৰে। কন্যাক নগাসকলৰ কোনো নিজা লিখিত ভাষা নাই। তেওঁলোকে নিজৰ দোৱানৰ দ্বাৰা মনৰ ভাব প্ৰকাশ কৰে। তেওঁলোকে ইংৰাজী বা অসমীয়া ভাষাৰ মাধ্যমৰ দ্বাৰাই নিজৰ সন্তানক পঢ়া-শুনা কৰোৱায়। শিক্ষাৰ ক্ষেত্ৰত নগা গাঁওৰ মহিলাসকল আগবাঢ়ি যোৱা দেখা যায়। এইখন গাঁৱৰ এগৰাকী ছোৱালীয়ে ২০১৬ বৰ্ষত চিকিৎসা বিজ্ঞানৰ প্ৰসূতি বিভাগত স্নাতকোত্তৰ শ্ৰেণীত উৰ্ত্তীণ হৈ বৰ্তমান যোৰহাট চিকিৎসালয়ত কৰ্মৰত হৈ আছে।

হাঁহচৰা নগাগাঁৱৰ তথ্যদানকাৰী মহিলাসকলৰ শিক্ষাগত অৰ্হতাৰ তালিকা তালিকা নং ৩.১.৮.২ত দেখুৱা হৈছে। তালিকাখন দণ্ডচিত্ৰত অংকন কৰা হৈছে।

**তালিকা ঃ ৩.১.৮.২**

**হাঁহচৰা নগা গাঁওৰ তথ্যদানকাৰী মহিলাসকলৰ শিক্ষাগত অৰ্হতা**


| শিক্ষাগত অৰ্হতা | সংখ্যা | শতকৰা হাৰ |
|---|---|---|
| নিম্ন প্ৰাথমিক | ২ | ৫% |
| উচ্চ প্ৰাথমিক | ৬ | ১৫% |
| হাইস্কুল শিক্ষান্ত পৰীক্ষা | ১২ | ৩০% |
| উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা | ৯ | ২৩% |
| স্নাতক | ১০ | ২৫% |
| স্নাতকোত্তৰ | ১ | ২% |
| মুঠ | ৪০ | ১০০% |

**উৎস ঃ ক্ষেত্ৰ অধ্যয়ন**



Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

উপৰোক্ত তালিকাখনৰ পৰা দেখা গ'ল যে হাঁহচৰা নগা গাঁৱৰ তথ্যদানকাৰী মহিলাসকলৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উৰ্ত্তীণ মহিলাৰ সংখ্যা সৰ্বাধিক ৩০%। তথ্যদানকাৰী মহিলাসকলৰ ভিতৰত ৫% নিম্ন প্ৰাথমিক, ১৫% উচ্চ প্ৰাথমিক, ২৩% উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা, ২৫% স্নাতক আৰু ২% মহিলা স্নাতকোত্তৰ ডিগ্ৰীধাৰী।




গতিকে এইটো স্পষ্ট হৈছে যে নগামহিলাসকল শিক্ষাৰ ক্ষেত্ৰত সচেতন। শিক্ষাৰ ক্ষেত্ৰত মহিলাসকল আগবাঢ়ি গৈছে। গতিকে শৈক্ষিক দিশত মহিলাসকল আগবঢ়া বুলিব পাৰি।

**৩.১.৯ অৰ্থনৈতিক দিশ ঃ**

মানুহৰ জীৱন ধাৰণ প্ৰণালীৰ লগত অৰ্ধনৈতিক দিশ জড়িত হৈ থাকে। পূৰ্বতে কন্যাক নগাসকলে ঝুম খেতি কৰিছিল যদিও বৰ্তমান অসমৰ জলবায়ুৰ লগত খাপখোৱা শালি আৰু বামখেতি কৰি জীৱন নিৰ্বাহ কৰে। বামখেতিৰ ভিতৰত আলু, কচু, আদা, জলকীয়া আৰু অন্যান্য শাক-পাঁচলিৰ খেতি কৰে। মহিলাসকলে কৃষি কাৰ্য্যত পুৰুষসকলক সহায় কৰে। কন্যাক নগাসকলে কাপোৰত ডিজাইন কৰা, চিলনি কৰা ইত্যাদি শিল্প গৃহ সজ্জাত ব্যৱহাৰ কৰে। মহিলাসকলে গাহৰি, হাঁহ, কুকুৰা আদি পোহি ঘৰৰ অৰ্থনৈতিক দিশত অৰিহণা যোগায়। মহিলাসকল কৃষি কাৰ্যৰ উপৰিও বয়নশিল্প, পশুপালন, ব্যৱসায় আৰু চাকৰিৰ লগত জড়িত।

গতিকে এইটো স্পষ্ট হৈছে যে নগামহিলাসকল বিভিন্ন কৰ্মত নিয়োজিত হৈ পৰিয়ালৰ অৰ্থনৈতিক দিশত অৰিহণা যোগাইছে।

**৩.২ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওৰ নগা জনজাতীয় সমাজত মহিলাৰ স্থিতি**

**৩.২.১ শৈক্ষিক দিশ ঃ**

শিক্ষা মানৱ জীৱনৰ এক অবিচ্ছেদ্য অংগ। সমাজ এখন প্ৰগতি আৰু উন্নয়নৰ পথত আগুৱাই নিয়াত শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

হাঁহচৰা নগা গাঁওৰ তথ্যদানকাৰী মহিলাসকলৰ পৰিয়ালৰ সৰ্ব্বোচ্চ শিক্ষাগত অৰ্হতাৰ এখন তালিকা তলত উল্লেখ কৰা হৈছে।



Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

**তালিকা ঃ ৩.২.১.১**

**হাহঁচৰা নগা গাঁওৰ তথ্যপ্ৰদানকাৰী মহিলাসকলৰ পৰিয়ালৰ সৰ্বোচ্চ শিক্ষাগত অৰ্হতা**

| শিক্ষাগত অৰ্হতা | সংখা | শতকৰা হাৰ |
|---|---|---|
| নিম্ন প্ৰাথমিক | ২ | ৫% |
| উচ্চ প্ৰাথমিক | ১ | ২% |
| হাইস্কুল শিক্ষান্ত পৰীক্ষা | ৮ | ২০% |
| উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা | ১৫ | ৩৮% |
| স্নাতক | ১১ | ২৮% |
| আইন | ২ | ৫% |
| স্নাতকোত্তৰ | ১ | ২% |
| মুঠ | ৪০ | ১০০% |

উপৰোক্ত তালিকাখনৰ পৰা দেখা গ'ল যে তথ্যদানকাৰী মহিলাসকলৰ পৰিয়ালৰ মহিলাৰ সৰ্বোচ্চ শিক্ষাগত অৰ্হতা হৈছে স্নাতকোত্তৰ ডিগ্ৰীধাৰী ২%। তথ্যদানকাৰী মহিলাসকলৰ পৰিয়ালৰ মহিলাৰ সৰ্বোচ্চ শিক্ষাগত অৰ্হতাৰ ভিতৰত ৫% আইন বিষয়ৰ, ২৮% স্নাতক ডিগ্ৰীধাৰী, ৩৮% উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উৰ্ত্তীণ, ২০% হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ, ২% উচ্চ প্ৰাথমিক আৰু ৫% নিম্ন প্ৰাথমিক উৰ্ত্তীণ।

হাঁহচৰা নগা গাঁৱৰ মহিলাসকল শৈক্ষিক দিশত আগবঢ়া বুলিব পাৰি। তলৰ তালিকাত তথ্যদানকাৰী মহিলাসকলৰ শৈক্ষিক দিশৰ বিষয়ে উল্লেখ কৰা হৈছে।

**তালিকা ঃ ৩.২.১.২**


**হাঁহচৰা নগা গাঁৱৰ মহিলাসকলৰ শৈক্ষিক দিশ**

| ক্ৰমিক নং | সূচকসমূহ | সংখ্যা | শতকৰা হাৰ |
|---|---|---|---|
| ১ | প্ৰচলিত শিক্ষা ব্যৱস্থা সম্পৰ্কে জ্ঞাত | ৪০ | ১০০% |
| ২ | সন্তান/পৰিয়ালৰ শিশুৰ পঢ়া-শুনা ক্ষেত্ৰত সজাগ | ৩৯ | ৯৮% |
| ৩ | সন্তান/পৰিয়ালৰ শিক্ষাৰ ক্ষেত্ৰত অংশ গ্ৰহণ | ৩৫ | ৮৮% |
| ৪ | সন্তান/পৰিয়ালৰ শিশুৱে অধ্যয়নৰত শিক্ষানুষ্ঠান সভা-সমিটি বা অন্যান্য কাৰ্য্যসূচীত অংশ গ্ৰহণ | ৩২ | ৮০% |

**উৎস ঃ ক্ষেত্ৰ অধ্যয়ন**

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

উপৰোক্ত তালিকাৰ পৰা প্ৰাপ্ততথ্যসমূহ দণ্ডচিত্ৰৰ সহায়ত দেখুওৱা হৈছে




ইয়াৰ পৰা দেখা গ'ল যে হাঁহচৰা নগা গাঁওৰ তথ্যদানকাৰী মহিলাসকলৰ ১০০% মহিলাই মত পোষণ কৰে যে তেওঁলোক প্ৰচলিত শিক্ষা ব্যৱস্থা সম্পৰ্কে জ্ঞাত।

তথ্যদানকাৰী মহিলাসকলৰ ৯৮% মহিলাই মত পোষণ কৰে যে তেওঁলোক সন্তান/পৰিয়ালৰ শিশুৰ পঢ়া-শুনা ক্ষেত্ৰত সজাগ।

তথ্যপ্ৰদানকাৰী মহিলাসকলৰ ৮৮% মহিলাই মত পোষণ কৰে যে তেওঁলোক সন্তান/পৰিয়ালৰ শিক্ষাৰ ক্ষেত্ৰত অংশ গ্ৰহণ কৰে।

৮০% তথ্যদানকাৰী মহিলাই ব্যক্ত কৰে যে তেওঁলোকে সন্তান/পৰিয়ালৰ শিশুৱে অধ্যয়নৰত শিক্ষানুষ্ঠানত অনুষ্ঠিত সভা-সমিটি বা অন্যান্য কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰে।

তথ্যদানকাৰী মহিলাসকলৰ ৭৫% মতপোষণ কৰে যে তেওঁলোকে গাঁওত অনুষ্ঠিত শৈক্ষিক অনুষ্ঠানত অংশ গ্ৰহণ কৰে। তেওঁলোকে মত পোষণ কৰে বিদ্যালয়ত অনুষ্ঠিত বাৰ্ষিক খেল-ধেমালি অনুষ্ঠানত, শিশু দিৱসত, শৈক্ষিক সজাগতা সভাত, বিশেষ বক্তৃতা অনুষ্ঠানত অংশ গ্ৰহণ কৰে।

ওপৰৰ বিশ্লেষণৰ পৰা এইটো স্পষ্ট হৈছে যে শৈক্ষিক দিশত নগা মহিলাসকলৰ স্থিতি সন্তোষজনক। তেওঁলোকে শৈক্ষিক দিশত অংশ গ্ৰহণ কৰাৰ সুযোগ লাভ কৰে। সৰহসংখ্যক তথ্যপ্ৰদানকাৰী মহিলাই সন্তান/পৰিয়ালৰ শিশুৰ পঢ়া-শুনাৰ ক্ষেত্ৰত অংশ গ্ৰহণ কৰে।

**৩.২.২ সামাজিক স্থিতি ঃ**

কন্যাক নগাসমাজত সামাজিক সিদ্ধান্ত সমূহ গাঁৱৰ বয়োজেষ্ঠসকলে গ্ৰহণ কৰে। গাঁৱৰ বয়োজেষ্ঠসকলে গ্ৰহণ কৰা সামাজিক সিদ্ধান্তসমূহ মহিলাসকলে মানি চলে। তথ্যদানকাৰী মহিলাসকলৰ সকলোৱে বিয়া-সবাহ আদি সামাজিক অনুষ্ঠানত অংশ গ্ৰহণ কৰে।

কন্যাক নগাসকলৰ মাজত নাৰী পুৰুষ উভয়ৰ মাজত কিছুমান নিৰ্দিষ্ট ভাগ আছে। এই ভাগ অনুসৰি বিভিন্ন উৎসৱ আদিত মহিলাসকলে সমজুৱাকৈ নিজৰ দায়িত্বত থকা কাম কৰিব লাগে।

গতিকে দেখা গ'ল যে কন্যাক নগাসকলৰ সমাজত নাৰীৰ স্থান পুৰুষৰ সমান নহয়। পুৰুষসকলক মহিলাসকলে যথেষ্ঠ সন্মান কৰি চলে।



Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

চতুৰ্থ অধ্যায়

# অধ্যয়নৰ ফলাফল

**৩.২.৩ উৎসৱ অনুষ্ঠানত অংশগ্ৰহণ ঃ**

কন্যাক নগাসকলৰ পৰম্পৰাগতভাৱে পালন কৰা উৎসৱ অনুষ্ঠান সমূহ হৈছে আওলিং উৎসৱ, ঐঞে উৎসৱ আৰু পামৌ উৎসৱ। পৰম্পৰাগতভাৱে শস্য চপোৱাৰ পাচত পালন কৰা উৎসৱটি হৈছে ঐঞে উৎসৱ। তথ্যদানকাৰী মহিলাসকলৰ ১০০% ই মত পোষণ কৰে যে পৰম্পৰাগতভাৱে পালন কৰা উৎসৱ অনুষ্ঠানত অংশ গ্ৰহণ কৰে।

**৩.২.৪ বিবাহৰ ক্ষেত্ৰত ঃ**

নগা জনজাতীয় সমাজত একে গোত্ৰৰ মাজত বিবাহ সম্পাদন হয়। কন্যাক নগাসকলৰ পৰম্পৰাগত নিয়ম অনুসৰি কইনা আনিবলৈ দৰা বা মাক-দেউতাক নাযায়। দৰাৰ বায়েক, পেহীয়েক বা অন্য পৰিয়ালৰ লগত দৰাৰ সখীয়েক গৈ কন্যাক লৈ আহে। বিয়াৰ দিনা দৰাৰ ঘৰৰ পৰা য়াংয়ং (বাঁহৰ ঢাল) দিয়াটো বাধ্যতামূলক। জোৰোণত কন্যাক 'পাঃচৌঃ' (এপাট মূল যাঠী) আৰু 'খাপচান' (পিতলৰ খাৰু) দিয়া হয়।

**৩.২.৫ অৰ্থনৈতিক স্থিতি ঃ**

হাঁহচৰা নগাগাঁৱৰ মহিলাসকলৰ আৰ্থিক অৱস্থা মধ্যমীয়া ধৰণৰ। তেওঁলোক কৃষিকৰ্ম, পশুপালন, বয়নশিল্প আৰু ব্যৱসায় বৃত্তিৰ লগত জড়িত। তথ্যদানকাৰী মহিলাসকল নিয়োজিত বৃত্তিৰ ভিত্তিত বৃত্তিৰ তালিকাখন তলত দাঙি ধৰা হৈছে। তালিকাখন দণ্ডচিত্ৰত অংকন কৰা হৈছে।

**তালিকা ঃ ৩.২.৫**

**হাঁহচৰা নগা গাঁৱৰ তথ্যদানকাৰী মহিলাসকলৰ বৃত্তি**

| বৃত্তি | সংখ্যা | শতকৰা হাৰ |
|---|---|---|
| শিক্ষকতা | ৩ | ৭% |
| কৃষি | ১৭ | ৪৩% |
| পশুপালন | ১০ | ২৫% |
| ব্যৱসায় | ৭ | ১৮% |
| বয়নশিল্প | ৩ | ৭% |
| মুঠ | ৪০ | ১০০% |

**উৎস ঃ ক্ষেত্ৰ অধ্যয়ন**

উপৰোক্ত তালিকাৰ পৰা প্ৰাপ্তুতথ্যসমূহ দণ্ডচিত্ৰৰ সহায়ত দেখুওৱা হৈছে



Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

উপৰোক্ত তালিকাৰ পৰা দেখা গৈছে যে গাঁহচৰা নগা গাঁৱৰ তথ্যদানকাৰী মহিলাৰ ভিতৰত সৰ্বাধিক মহিলা কৃষিকৰ্মৰ লগত ৪৩%। তথ্যদানকাৰী মহিলাসকলৰ ভিতৰত ২৫% মহিলাই পশুপালন, ১৮% মহিলাই ব্যৱসায়, ৭% মহিলা বয়নশিল্প আৰু ৭%মহিলা শিক্ষকতা বৃত্তিৰ লগত জড়িত।

অৰ্থনৈতিক প্ৰগতি তথা অৰ্থনৈতিক উন্নতিৰ লগত আয় জড়িত হৈ থাকে। তথ্যদানকাৰী মহিলাসকলৰ ভিতৰত ৪৫% মহিলাৰ মাহেকীয়া আয় ১০০০-৫০০০ ভিতৰত, মাহেকীয়া আয় ৬০০০-১০,০০০ টকাৰ ভিতৰত ৪০% মহিলাৰ, ১১,০০০-২০,০০০ টকাৰ ভিতৰত ১৩% মহিলাৰ আৰু ২% মহিলাৰ মাহেকীয়া আয় ২১,০০০-৩০,০০০ টকা।

হাহঁচৰা নগা গাঁৱৰ তথ্যদানকাৰী মহিলাসকলৰ ভিতৰত ৪০% মহিলাই চৰকাৰী/ বেচৰকাৰীভাৱে আয়োজিত দক্ষতা বিকাশ কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিছে।

তথ্যদানকাৰী মহিলাসকলৰ ভিতৰত ৮০% মহিলাৰ নিজা বেংক একাউণ্ট আছে।

তথ্যদানকাৰী মহিলাসকলৰ ভিতৰত ৮৮% মহিলাই পৰিয়ালৰ আৰ্থিক দিশত অৰিহণা যোগায়। তেওঁলোকে কৃষি, পশুপালন, বয়নশিল্প, শিক্ষকতা আৰু ব্যৱসায়ৰ লগত জড়িত হৈ পৰিয়ালৰ আৰ্থিক দিশত সহায় আগবঢ়ায়।

ওপৰৰ বিশ্লেষণৰ পৰা এইটো সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে মহিলাসকলৰ অৰ্থনৈতিক দিশত স্থিতি মধ্যমীয়া ধৰণৰ। সৰহ সংখ্যক মহিলাই কৃষি কৰ্মৰ লগত জড়িত। কৃষি কৰ্মৰ বাহিৰেও মহিলাসকল পশুপালন, বয়নশিল্প, শিক্ষকতা আৰু ব্যৱসায়ৰ লগত জড়িত হৈ পৰিয়ালৰ আৰ্থিক দিশত সহায় আগবঢ়ায়।

**৩.২.৬ ঃ ৰাজনৈতিক দিশত অংশগ্ৰহণ ঃ**

হাঁহচৰা নগা গাঁৱৰ তথ্যদানকাৰী মহিলাসকলৰ ১০০% 'ভোটদান'ত অংশ গ্ৰহণ কৰিছে।

তথ্যদানকাৰী মহিলাসকলৰ ১০০% মত পোষণ কৰে যে তেওঁলোকৰ গাঁওত মহিলা গাঁও পঞ্চায়তৰ, বিধানসভা/ লোকসভাৰ সদস্য নাই।

গতিকে এইটো স্পষ্ট হয় যে গাঁওখনৰ মহিলাসকলে ৰাজনৈতিক দিশত অংশগ্ৰহণ কৰে যদিও গাঁও পঞ্চায়ত, বিধানসভা/ লোকসভা সদস্য পদত অধিস্থিত হোৱা নাই।

**৩.২.৭ ঃ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ ঃ**

হাঁহচৰা নগা গাঁওৰ তথ্যদানকাৰী মহিলাসকলৰ ৯০% মহিলাই পৰিয়ালৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰে।

৯৩% মহিলাই মত পোষণ কৰে যে নিজৰ লগতে পৰিয়ালৰ স্বাস্থ্য সচেতনতাৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণৰ সুযোগ লাভ কৰে।

৮৮% মহিলাই মত পোষণ কৰে যে ঘৰুৱা প্ৰয়োজনীয় দ্ৰব্য বেচা-কিনাৰ ক্ষেত্ৰত সিদ্ধান্ত প্ৰদানৰ সুযোগ লাভ কৰে।

তথ্যদানকাৰী মহিলাসকলৰ ৯৩% মহিলাই ব্যক্ত কৰে যে সন্তানৰ/ পৰিয়ালৰ বিকাশ সম্পৰ্কীয় বিষয়ত সিদ্ধান্ত গ্ৰহণত সুযোগ লাভ কৰে।



Head
Deptt. of Education
H.C.D.G. College

## ৪.০ অধ্যয়নৰ ফলাফল (Findings of the Study) ঃ

### ৪.১ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওৰ মহিলাসকলৰ সামাজিক, শৈক্ষিক আৰু অৰ্থনৈতিক দিশত প্ৰপ্ত ফলাফলসমূহ

→ সামাজিক দিশত দেখা গ'ল যে পিতৃপ্ৰধান সমাজত মহিলাসকলে মুৰব্বীজনক সন্মান আৰু মান্যতা প্ৰদান কৰে। কন্যাক নগাসকলৰ সমাজত নাৰী পুৰুষ উভয়ৰ মাজত কিছুমান নিৰ্দিষ্ট ভাগ আছে। এই ভাগ অনুযায়ী সামাজিক অনুষ্ঠানত মহিলাসকলে নিজৰ নিজৰ দায়িত্বত থকা কাম সুচাৰু ৰূপে পালন কৰে।

→ মহিলাসকলে ৰন্ধনকাৰ্য্য, গৃহ সজ্জা, চাফাই কাৰ্য্য, সন্তানৰ প্ৰতিপালন কাৰ্য্য, নিয়াৰিকৈ সম্পাদন কৰে। গতিকে দেখা গ'ল মহিলাসকলে গৃহকৰ্মত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।

→ কন্যাক নগাসকলৰ পৰম্পৰাগত উৎসৱ অনুষ্ঠান যেনে আওলিং উৎসৱ, ঐগ্ৰে উৎসৱত মহিলাসকলক প্ৰদান কৰা দায়িত্ব তেওঁলোকে সুচাৰুৰূপে পালন কৰে।

→ কন্যাক নগাসকলে সন্তান জন্মৰ লগত জড়িত অনুষ্ঠান স্বকীয় নিয়মেৰে পালন কৰে। সন্তানৰ পাঁচমাহ হোৱাৰ পাছত 'ওথুম' (অন্নপ্ৰাসন্ন) অনুষ্ঠান পালন কৰা হয়। পৰম্পৰা অনুযায়ী সেইদিনা ৰাতি বাৰ বজাত মাক-দেউতাক থকা এজনী ছোৱালীয়ে কুকুৰা মাংসৰ আঞ্জা আৰু বৰা চাউলৰ ভাত কেঁচুৱাটোক খুৱায়।

→ কন্যাক নগাসকলৰ বিবাহ অনুষ্ঠানক 'নাওঁয়া পইপু' বোলা হয়। বিবাহ অনুষ্ঠানত ছমাহ বা এবছৰৰ আগতে 'টইকাবু' অনুষ্ঠান পাতে। তেওঁলোকৰ সমাজত দৰাজন বৰযাত্ৰী হৈ নাযায়।

→ কন্যাক নগাসকলৰ মৃত্যুৰ লগত জড়িত অনুষ্ঠানক 'ৱানয়াজ' বুলি কয়। পৰম্পৰাগত নিয়ম অনুসৰি এই অনুষ্ঠানত গাঁওৰ বয়োজ্যেষ্ঠ মহিলাই পিঠা খুন্দি তৰাপাতত বান্ধি দুটা টোপোলা ছাইৰ তলত পুতি থয়। সোঁহাতৰ টোপোলাটোত মৃতকৰ পৰিয়ালে এজন এজনকৈ স্পৰ্শ কৰি মৃতকৰ নাম লৈ বিদায় জনায়।

→ কন্যাক নগাসকল হিন্দু ধৰ্মালম্বী। কন্যাক নগাসকলে উপৰিপুৰুষৰ ৰীতি অনুসৰি প্ৰতিঘৰ মানুহে সুকীয়া কোঠাত একোটাকৈ লাইখুঁটা সাজি লয়। যিকোনো সকাম নিকামৰ প্ৰয়োজন হোৱা কুকুৰা, গাহৰি লাইখুঁটাৰ সাক্ষী কৰি সুফল কামনাৰ্থে বধ কৰে। মহিলাসকলেও এনেধৰণৰ ধৰ্মীয় ৰীতি-নীতি মানি চলে।

→ শৈক্ষিক দিশত দেখা গ'ল যে নগামহিলাসকল শিক্ষাৰ ক্ষেত্ৰত আগ্ৰহী। মহিলাসকলে শিশুক উপযুক্ত শিক্ষা প্ৰদান কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁলোকে ইংৰাজী বা অসমীয়া ভাষাৰ মাধ্যমৰ দ্বাৰাই নিজৰ সন্তানক পঢ়া-শুনা কৰোৱায়। গাঁওখনৰ তথ্যদানকাৰী মহিলাসকলৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ মহিলাৰ সংখ্যা সাৰ্বাধিক (৩০%)। আৰু স্নাতকোত্তৰ ডিগ্ৰীধাৰী মহিলাও আছে। গতিকে শৈক্ষিক দিশত মহিলাসকল আগবঢ়া বুলিব পাৰি।

→ অৰ্থনৈতিক দিশত দেখা যায় যে নগা মহিলাসকল কৃষিকাৰ্য্যৰ লগতে বয়নশিল্প, পশুপালন, ব্যৱসায় আৰু চাকৰিৰ লগত জড়িত হৈ পৰিয়ালৰ অৰ্থনৈতিক ক্ষেত্ৰত বৰঙণি আগবঢ়াইছে।

### ৪.২ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওৰ জনজাতীয় সমাজত মহিলাৰ স্থিতিৰ প্ৰাপ্ত ফলাফলসমূহ -

→ হাঁহচৰা নগা গাঁৱৰ মহিলাসকল শৈক্ষিক দিশত আগবঢ়া বুলিব পাৰি। শৈক্ষিক দিশত নগা মহিলাসকলৰ স্থিতি সন্তোষজনক। তথ্যদানকাৰী মহিলাসকলৰ পৰিয়ালৰ মহিলাৰ সৰ্বোচ্চ শিক্ষাগত অৰ্হতা হৈছে স্নাতকোত্তৰ ডিগ্ৰীধাৰী ২%। তথ্যদানকাৰী মহিলাসকলৰ পৰিয়ালৰ মহিলাৰ সৰ্বোচ্চ শিক্ষাগত অৰ্হতাৰ ভিতৰত ৫% আইন বিষয়ৰ, ২৮% স্নাতক ডিগ্ৰীধাৰী, ৩৮% উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উৰ্ত্তীণ, ২০% হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ, ২% উচ্চ প্ৰাথমিক আৰু ৫% নিম্ন প্ৰাথমিক উৰ্ত্তীণ। তেওঁলোকে শৈক্ষিক দিশত অংশ গ্ৰহণ কৰাৰ সুযোগ লাভ কৰে। সৰহসংখ্যক তথ্যপ্ৰদানকাৰী মহিলাই সন্তান/পৰিয়ালৰ শিশুৰ পঢ়া-শুনাৰ ক্ষেত্ৰত অংশ গ্ৰহণ কৰে।

→ সামাজিক স্থিতিৰ ক্ষেত্ৰত দেখা গ'ল যে বয়োজেষ্ঠসকলে গ্ৰহণ কৰা সামাজিক সিদ্ধান্তসমূহ মহিলাসকলে মানি চলে। তেওঁলোকে বিয়া-সবাহ আদি সামাজিক অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁলোকৰ সমাজত নাৰী পুৰুষ উভয়ৰ মাজত কিছুমান নিৰ্দিষ্ট ভাগ আছে আৰু এই অনুযায়ী নিজৰ নিজৰ দায়িত্বত থকা কাম মহিলাসকলে সম্পন্ন কৰে গতিকে কন্যাক নগাসকলৰ সমাজত নাৰীৰ স্থান পুৰুষৰ সৈতে সমান নহয়।কন্যাক নগা সমাজৰ পৰম্পৰাগতভাৱে পালন কৰা উৎসৱ অনুষ্ঠানত মহিলাসকলে অংশ গ্ৰহণ কৰে।বিবাহ সম্পন্ন কৰাৰ ক্ষেত্ৰত কন্যাক নগাসমাজৰ কন্যাৰ লগত জড়িত সুকীয়া প্ৰথা পালন কৰে।

→ মহিলাসকলৰ অৰ্থনৈতিক দিশত স্থিতি মধ্যমীয়া ধৰণৰ। সৰহ সংখ্যক মহিলাই কৃষি কৰ্মৰ লগত জড়িত (৪৩%)। কৃষিকৰ্মৰ বাহিৰেও মহিলাসকল পশুপালন, বয়নশিল্প, শিক্ষকতা আৰু ব্যৱসায় লগত জড়িত হৈ পৰিয়ালৰ আৰ্থিক দিশত সহায় আগবঢ়ায়। তথ্যদানকাৰী মহিলাসকলৰ ভিতৰত সৰ্বাধিক ৪৫% মহিলাৰ মাহেকীয়া আয় ১০০০-৫০০০ ৰ ভিতৰত। তথ্যদানকাৰী মহিলাসকলৰ ৪০% মহিলাই চৰকাৰী/বেচৰকাৰী ভাৱে আয়োজিত দক্ষতা বিকাশ কাৰ্যসূচীত অংশ



Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

গ্ৰহণ কৰিছে। তথ্যদানকাৰী মহিলাসকলৰ ৮০% মহিলাৰ নিজা বেংক একাউণ্ট আছে।

→ ৰাজনৈতিক দিশত অংশগ্ৰহণৰ ক্ষেত্ৰত হাঁহচৰা নগা গাঁওৰ তথ্যদানকাৰী মহিলাসকলৰ ১০০% ই ভোটদানত অংশ গ্ৰহণ কৰিছে। তেওঁলোকৰ মহিলাই গাওঁ পঞ্চায়ত বিধানসভা/ লোকসভাৰ সদস্য পদত অধিষ্ঠিত হোৱা নাই।

→ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণৰ ক্ষেত্ৰত দেখা গ'ল যে তথ্যদানকাৰী ৯০% মহিলাই পৰিয়ালৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত ৯৩% মহিলাই নিজৰ লগতে পৰিয়ালৰ স্বাস্থ্য সচেতনতাৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণত ৮৮% মহিলাই ঘৰুৱা প্ৰয়োজনীয় দ্ৰব্য বেচা-কিনাৰ ক্ষেত্ৰত আৰু ৯৩% মহিলাই সন্তান/পৰিয়ালৰ বিকাশ সম্পৰ্কীয় বিষয়ত সিদ্ধান্ত গ্ৰহণৰ সুযোগ লাভ কৰিছে।



Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

## পঞ্চম অধ্যায়

# সামৰণি

### ৫.০ শিক্ষাগত তাৎপৰ্য্য (Educational Significance) ঃ

এই অধ্যয়নৰ যথেষ্ট শিক্ষাগত তাৎপৰ্য্য আছে। কিয়নো এই অধ্যয়নে সমাজত এক অবিচ্ছেদ্য অংশক অধ্যয়নৰ বিষয়বস্তু ৰূপে সাঙুৰি লৈছে। মহিলাসকল হৈছে এখন সমাজৰ প্ৰতিচ্ছবি দাঙি ধৰিব বিচৰা হৈছে। এই অধ্যয়নৰ পৰা লাভ কৰা ফলাফলৰ ওপৰত ভিত্তি কৰি তলত উল্লেখ কৰা পৰামৰ্শসমূহ আগবঢ়োৱা হ'ল -

→ উচ্চ শিক্ষাৰ ক্ষেত্ৰত মহিলাসকলক আকৰ্ষিত কৰিব লাগিব।

→ মহিলাসকলৰ মাজত থকা সৃষ্টিশীল প্ৰতিভা সমূহৰ বিকাশৰ সুযোগ প্ৰদান কৰিব লাগিব।

→ অৰ্থনৈতিক দিশত মহিলাসকলক ক্ষুদ্ৰ উদ্যোগ আৰু শিল্পকলা কৰ্মৰ প্ৰতি উৎসাহিত কৰিলে তেওঁলোক অধিক অনুপ্ৰাণিত হ'ব।

→ আত্ম সহায়ক গোটৰ জৰিয়তে স্বাৱলম্বী কৰি তুলিব পাৰি।

### ৫.১ সামৰণি (Conclusion) ঃ

স্বকীয় ৰীতি-নীতি, উৎসৱ অনুষ্ঠান সমৃদ্ধ জনগোষ্ঠী কন্যাক নগাসকল। নগা জনজাতীয় সমাজ জীৱন শান্তিপ্ৰিয় আৰু সু-শৃংখলিত। তেওঁলোকৰ সমাজ জীৱন পৰম্পৰাগত ৰীতি-নীতি অনুসৰি পৰিচালিত হয়। তেওঁলোকৰ সামাজিক লোকাচাৰৰ মাজত পৰম্পৰাগত সংস্কৃতিৰ বিভিন্ন দিশ সংৰক্ষণ হৈ আছে। নগা মহিলাসকল শান্তি প্ৰিয়, নিৰ্জু আৰু সৌন্দৰ্য্যপ্ৰিয়। সৰহসংখ্যক ঘৰৰ আগফালে মহিলাসকলে নানা তৰহৰ ফুলেৰে ধুনীয়াকৈ বাগিছা পাতি সৌন্দৰ্য্যশীল মনৰ পৰিচয় দাঙি ধৰিছে। কন্যাক নগাসকলৰ সমাজত মহিলাসকলৰ ক্ষেত্ৰত পৰম্পৰাগত কিছুমান নিয়ম প্ৰযোজ্য। তেওঁলোকে এই নিয়ম নীতি মানি শৃংখলিত ভাৱে বসবাস কৰে। শৈক্ষিক ক্ষেত্ৰত নগা মহিলাসকলে আগ্ৰহী মনৰ পৰিচয় দাঙি ধৰে। পৰিয়ালৰ অৰ্থনৈতিক দিশটো তেওঁলোকে বৰঙণি আগবঢ়ায় পৰিয়ালক অৰ্থনৈতিক স্বাৱলম্বিতাৰ পথত আগুৱাই যোৱাত সহায় কৰে। গতিকে এই অধ্যয়নে কন্যাক নগা জনজাতীয় সমাজত মহিলাৰ স্থিতি উপলব্ধি কৰাত সহায় কৰিব।

****************

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

**গ্ৰন্থপুঞ্জী ঃ**

গগৈ, স্নিগ্ধাৰাণী (২০১৭), 'শিৱসাগৰৰ হাঁহচৰাৰ নগাগাঁও', চুতীয়া, প্ৰ.কু. আৰু পাংগিং, অ. (সম্পাঃ), *জেৰেঙা ৰূপহী* (৪৩৯-৪৪২), শিৱসাগৰ ঃ অসম সাহিত্য সভাৰ শতবৰ্ষীয় অধিৱেশন।

চলিহা, বে.কু., শইকীয়া, ত আৰু শইকীয়া বৰা, ৰুনু. (২০১৬) '*শিক্ষাৰ সমসাময়িক ধাৰা*', যোৰহাট ঃ বিদ্যাভৱন।

বুঢ়াগোহাঁই, বনিতা (২০১৭). 'অসমৰ নগা জনগোষ্ঠীসকলৰ সামাজিক লোকাচাৰ ঃ এক অধ্যয়ন', হাকাচাম ৰাভা, উ আৰু নাথ, প্ৰ.কু. (সম্পা.), *অসমৰ জনগোষ্ঠীয় সামাজিক লোকাচাৰ* (২৩৫-২২২), গুৱাহাটী ঃ বনলতা।

ভট্টাচাৰ্য্য, প্ৰ. (২০০৮). '*অসমৰ জনজাতি*', ধেমাজি ঃ কিৰণ প্ৰকাশন।

Aoling Festival of the konyak Tribe 2016-04-03 http://www.nelive.in/nagaland/art-culture/aoling festival konyak tribe.

https://www.census2011.co.in.>164

https://www.mapsofindia.com

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# নগা জনজাতীয় সমাজত মহিলাৰ স্থিতিঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওত এক অধ্যয়ন

**প্ৰশ্ন পত্ৰ ঃ ১**

**ব্যক্তিৰ ব্যক্তিগত তথ্য ঃ**

তথ্যদানকাৰীৰ নাম ঃ

বয়স ঃ

লিংগ ঃ পুৰুষ/মহিলা

বৃত্তি ঃ

শিক্ষাগত অৰ্হতা ঃ

মাহেকীয়া আয় ঃ

**গাঁওৰ বিষয়ে ঃ**

১। গাঁওৰ নাম ঃ

২। গাঁও পঞ্চায়তৰ নাম ঃ

৩। জিলাৰ নাম ঃ

৪। গাওঁখনৰ চাৰিসীমা ঃ

৫। গাঁওখনৰ মুঠ জনসংখ্যা ঃ

৬। গাঁওখনৰ মহিলাৰ মুঠ জনসংখ্যা ঃ

৭। গাঁওখনৰ যাতায়ত ব্যৱস্থা ঃ (পকা ৰাস্তা/কেচা ৰাস্তা/শিলগুটিযুক্ত ৰাস্তা)

**আপোনাৰ গাঁওত থকা বিদ্যালয়ৰ তথ্য ঃ**

| ক্ৰমিক নং | প্ৰকাৰ | বিদ্যালয়ৰ নাম | স্থাপিত | চৰকাৰী/বেচৰকাৰী |
|---|---|---|---|---|
| | | | | |
| | | | | |
| | | | | |

**সামাজিক গাঁঠনি ঃ**

১। আপোনৰ পৰিয়ালৰ মুৰব্বী কোন?...........................................

২। আপুনি ঘৰৰ মুৰব্বীজনক সন্মান আৰু মান্যতা প্ৰদান কৰে নে? [কৰো] [নকৰো]

৩। আপোনাৰ সমাজত নাৰী পুৰুষৰ উভয়ৰ মাজত কিছুমান নিৰ্দিষ্ট ভাগ আছে নেকি? [আছে] [নাই]

৪। গাঁওৰ সিদ্ধান্তসমূহ কোনে গ্ৰহণ কৰে? [গাওঁবুঢ়া] [গাঁওৰ বয়োজেষ্ঠ্যসকলে]

৫। আপুনি গাঁওৰ গাঁওবুঢ়া/বয়োজেষ্ঠ্যসকলে গ্ৰহণ কৰা সামাজিক সিদ্ধান্তসমূহ মানি চলে নে? [মানি চলো] [নচলো]

**গৃহ কৰ্মত অংশগ্ৰহণ ঃ**

১। আপুনি ঘৰুৱা কামত অংশ গ্ৰহণ কৰি আনন্দ লাভ কৰে নে? [কৰো] [নকৰো]

২। আপুনি ঘৰুৱা কামত অংশ গ্ৰহণৰ ক্ষেত্ৰত স্বাধীনতা লাভ কৰে নে? [কৰো] [নকৰো]

৩। আপুনি ঘৰুৱা কৰ্ম হিচাপে কেনেধৰণৰ কাম কৰি ভাল পায়, উল্লেখ কৰক

(i)..........................................................................................................

(ii).........................................................................................................

**উৎসৱ অনুষ্ঠানত অংশ গ্ৰহণ ঃ**

১। আপোনাৰ সমাজত পৰম্পৰাগত ভাৱে উৎসৱ পালন কৰে নে? [কৰো] [নকৰো]

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

২। আপোনাৰ সমাজত উদ্‌যাপন কৰা উৎসব অনুষ্ঠানটোৰ নাম - [আঁওলেং উৎসব] [পয়ছাংকেন]

৩। আপুনি 'ঐয়া টাইপ' পৰিৱেশন কৰা অনুষ্ঠানত অংশ গ্ৰহণ কৰে নে? [কৰো] [নকৰো]

৪। আপোনাৰ সমাজত পালন কৰা উৎসৱ অনুষ্ঠানসমূহ কি কি?

(i)..............................................................................................................

(ii)..............................................................................................................

৫। আপুনি উৎসৱ অনুষ্ঠানত নিজা দায়িত্ব সুচাৰু ৰূপে পালন কৰে নে? [কৰো] [নকৰো]

**বিবাহ অনুষ্ঠান ঃ**

১। আপোনালোকৰ বিবাহ অনুষ্ঠানৰ নাম কি?

..............................................................................................................

২। আপোনাৰ সমাজত বিবাহৰ দিন কেনেদৰে ধাৰ্য্য কৰা হয়?

..............................................................................................................

৩। বিবাহৰ দিনা পৰম্পৰাগত নিজা নিয়ম পালন কৰে নে? [কৰো] [নকৰো]

৪। যদি কৰে কনে ধৰণৰ নিয়ম পালন কৰে, উল্লেখ কৰক-

(i)..............................................................................................................

(ii)..............................................................................................................

**মৃত্যুৰ লগত জড়িত অনুষ্ঠান ঃ**

১। আপোনালোকৰ সমাজত মৃত্যুৰ লগত জড়িত অনুষ্ঠানক কি বুলি কয়?..........................................

২। মৃত্যুৰ লগত জড়িত অনুষ্ঠানত নিজা নিয়ম পালন কৰে নে? [কৰো] [নকৰো]

৩। যদি পালন কৰে কেনেধৰণৰ নিয়ম পালন কৰে উল্লেখ কৰক-

..............................................................................................................

**ধৰ্ম ঃ**

১। আপোনালোক কি ধৰ্মৰ লোক?............................................

২। আপোনালোকৰ সমাজত উপৰিপুৰুষৰ ৰীতি-নীতি বিশ্বাস কৰে নে? [কৰো] [নকৰো]

৩। যদি কৰে, কেনেধৰণৰ ৰীতি-নীতি বিশ্বাস কৰে উল্লেখ কৰক-

.....................................................................

**শৈক্ষিক দিশ ঃ**

১। আপুনি শিক্ষাৰ ক্ষেত্ৰত আগ্ৰহী নে? [হয়] [নহয়]

২। আপুনি শিশুৰ শিক্ষাৰ ক্ষেত্ৰত সহায় কৰে নে? [কৰো] [নকৰো]

৩। আপোনাৰ সন্তান কি মাধ্যমত পঢ়া-শুনা কৰে?.....................

**অৰ্থনৈতিক দিশ ঃ**

১। আপুনি কৃষি কৰ্মৰ লগত জড়িত নে? [হয়] [নহয়]

২। আপুনি পশুপালন কৰ্মৰ লগত জড়িত নে? [হয়] [নহয়]

৩। আপুনি 'বয়ন শিল্প'ৰ লগত জড়িত নে? [হয়] [নহয়]

৪। আপুনি আত্মসহায়ক গোটৰ সদস্য নেকি? [হয়] [নহয়]

৫। আপুনি চৰকাৰী/বেচৰকাৰী চাকৰিত নিয়োজিত নেকি? [হয়] [নহয়]

৬। আপুনি শিল্প কলাৰ প্ৰতি আৰ্কষিত নে? হয় নহয়

৭। আপোনাৰ প্ৰিয় শিল্প কলা কি?........................................

৮। আপুনি পৰিয়ালৰ অৰ্থনৈতিক উন্নয়নত অৰিহণা যোগায় নে? [হয়] [নহয়]

৯। যদি পৰিয়ালৰ অৰ্থনৈতিক উন্নয়নত অৰিহণা যোগাইছে কেনেধৰণে জড়িত উল্লেখ কৰক-

(i)..............................................................................................................

.................................................. ..................................................

তথ্য সংগ্ৰহকাৰীৰ স্বাক্ষৰ তথ্যদান কাৰীৰ স্বাক্ষৰ

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

## নগা জনজাতীয় সমাজত মহিলাৰ স্থিতিঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁওত এক অধ্যয়ন

**প্ৰশ্ন পত্ৰ ঃ ২**

**ব্যক্তিৰ ব্যক্তিগত তথ্য ঃ**

তথ্যদানকাৰীৰ নাম ঃ

বয়স ঃ

লিংগ ঃপুৰুষ/মহিলা

বৃত্তি ঃ

শিক্ষাগত অৰ্হতা ঃ

মাহেকীয়া আয় ঃ

**শৈক্ষিক দিশ ঃ**

১। আপুনি প্ৰচলিত শিক্ষা ব্যৱস্থা সৰ্ম্পকে জ্ঞাত নে? [হয়] [নহয়]

২। আপোনাৰ পৰিয়ালৰ মহিলাৰ সৰ্বোচ্চ শিক্ষাগত অৰ্হতা কিমান?..........................................

৩। আপুনি সন্তান/পৰিয়ালৰ শিশুৰ পঢ়া-শুনা ক্ষেত্ৰত সজাগ নে? [হয়] [নহয়]

৪। আপুনি সন্তান/পৰিয়ালৰ শিক্ষাৰ ক্ষেত্ৰত অংশ গ্ৰহণ কৰে নে? [কৰোঁ] [নকৰোঁ]

৫। আপোনাৰ সন্তান/পৰিয়ালৰ শিশুৱে অধ্যয়নৰত শিক্ষানুষ্ঠানত অনুষ্ঠিত সভা-সমিতি বা অন্যান্য কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰে নে? [কৰোঁ] [নকৰোঁ]

৬। আপোনাৰ গাঁওত শৈক্ষিক অনুষ্ঠান অনুষ্ঠিত হৈছে নেকি? [হৈছে] [নাই হোৱা]

৭। যদি আপোনাৰ গাঁওত শৈক্ষিক অনুষ্ঠান অনুষ্ঠিত হৈছে আপুনি অংশ গ্ৰহণ কৰিছে নেকি? [কৰিছো] [নাইকৰা]

যদি অংশগ্ৰহণ কৰিছে কেনেধৰণৰ অনুষ্ঠান উল্লেখ কৰক-

(i)..........................................................................................

(ii)..........................................................................................

**সামাজিক স্থিতি ঃ**

১। আপোনাৰ সমাজত 'মুখ্য ব্যক্তি' আছে নে? [আছে] [নাই]

২। গাওঁৰ সামাজিক সিদ্ধান্তসমূহ কোনে গ্ৰহণ কৰে? [গাঁওবুঢ়াই] [গাঁওৰ বয়োজেষ্ঠ সকলে]

৩। আপুনি গাঁওৰ গাঁওবুঢ়া/বয়োজেষ্ঠসকলে গ্ৰহণ কৰা সামাজিক সিদ্ধান্তসমূহ মানি চলে নে? [মানি চলো] [নচলো]

৪। গাঁওৰ সমস্যা, নীতি-নিয়ম আলোচনা কৰিবৰ বাবে সমবেত হোৱা স্থানৰ নাম কি?..........................................

৫। আপুনি সামাজিক অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত স্বাধীনতা লাভ কৰে নে? [কৰোঁ] [নকৰোঁ]

৬। আপুনি বিভিন্ন উৎসৱ অনুষ্ঠানত নিজা দায়িত্ব সুচাৰুৰূপে পালন কৰে নে? [কৰো] [নকৰোঁ]

**উৎসৱ অনুষ্ঠানত অংশ গ্ৰহণ ঃ**

১। আপোনাৰ জনজাতীয় সমাজৰ মুখ্য উৎসৱ কি?

..........................................................................................

২। পৰম্পৰাগতভাৱে শস্য চপোৱা উৎসৱটিৰ নাম কি?

..........................................................................................

৩। আপুনি পৰম্পৰাগতভাৱে পালন কৰা উৎসৱ অনুষ্ঠানত অংশ গ্ৰহণ কৰে নে? [কৰো] [নকৰোঁ]

৪। উৎসৱ অনুষ্ঠান কেনেধৰণে পালন কৰে উল্লেখ কৰক?..........................................

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

**বিবাহৰ ক্ষেত্ৰত ঃ**

১। নগা জনজাতীয় সমাজত একে গোত্ৰৰ মাজত বিবাহ সম্পাদন হয় নে? [হয়] [নহয়]

২। আপোনাৰ সমাজত বিবাহ প্ৰথা কেনেদৰে অনুষ্ঠিত কৰা হয়? উল্লেখ কৰক-

(i)..................................................................................................

(ii)..................................................................................................

**অৰ্থনৈতিক স্থিতি ঃ**

১। আপুনি কি কৰ্মৰ লগত জড়িত?

..................................................................................................

২। আপুনি চৰকাৰী/বেচৰকাৰী ভাৱে আয়োজিত দক্ষতা বিকাশ কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিছে নেকি? [কৰিছো] [নাইকৰা]

৩। আপোনাৰ নিজা বেংক একাউণ্ট আছে নে? [আছে] [নাই]

৪। আপুনি পৰিয়ালৰ আৰ্থিক দিশত অৰিহণা যোগায় নে? [হয়] [নহয়]

যদি পৰিয়ালৰ আৰ্থিক দিশত অৰিহণা যোগাইছে কেনেধৰণে যোগাইছে, উল্লেখ কৰক-

(i)..................................................................................................

(ii)..................................................................................................

**ৰাজনৈতিক দিশত অংশগ্ৰহণ ঃ**

১। আপুনি 'ভোটদান'ত অংশ গ্ৰহণ কৰিছে নে? [কৰিছো] [নাইকৰা]

২। আপোনাৰ গাঁওৰ মহিলা সদস্যই পঞ্চায়ত নিৰ্বাচনত প্ৰতিনিধিত্ব আগবঢ়াইছে নেকি? [হয়] [নহয়]

৩। আপোনাৰ গাঁওত মহিলা গাঁও পঞ্চায়তৰ সদস্য আছে নেকি? [আছে] [নাই]

৪। আপোনাৰ গাঁওত মহিলা বিধান সভা/লোকসভাৰ সদস্য আছে নেকি? [আছে] [নাই]

**সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ ঃ**

১। আপুনি পৰিয়ালৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰে নে? [কৰো] [নকৰো]

২। আপুনি নিজৰ লগতে পৰিয়ালৰ স্বাস্থ্য সচেতনতাৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণৰ সুযোগ লাভ কৰে নে? [কৰো] [নকৰো]

৩। আপুনি ঘৰুৱা প্ৰয়োজনীয় দ্ৰব্য বেচা-কিনাৰ ক্ষেত্ৰত সিদ্ধান্ত প্ৰদানৰ সুযোগ লাভ কৰে নে? [কৰো] [নকৰো]

৪। আপুনি সন্তান/পৰিয়ালৰ বিকাশ সম্পৰ্কীয় বিষয়ত সিদ্ধান্ত গ্ৰহণৰ সুযোগ লাভ কৰে নে? [কৰো] [নকৰো]

..................................... ..................................................

তথ্য সংগ্ৰহকাৰীৰ স্বাক্ষৰ তথ্যদান কাৰীৰ স্বাক্ষৰ


Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri


# আলোক চিত্ৰ


FIELD STUDY
অনুসন্ধানকাৰী দল




NAGA GAON
GPS Map Camera
Lutum, Assam, India
XP2J+R42, Tezpur, Lutum, Assam 785685, India
Lat 26.951702°
Long 94.730281°
21/03/23 11:46 AM GMT +05:30
Google









Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri